Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# Reading for pleasure

# আনন্দৰ বাবে পঠন





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

**Video resources**

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 LL06v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/

TESS-India is led by The Open University UK and funded by UK aid from the UK government

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ প্ৰতি উৎসাহ বঢ়োৱাত আপোনৰ ভূমিকাৰ ওপৰত আলোকপাত কৰিছে। যিমানেই বেছি ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আনন্দ পাব, সিমানেই বেছি তেওঁলোকে পঢ়িবলৈ বিচাৰিব আৰু তেওঁলোকে যিমানেই বেছিকৈ পঢ়িবলৈ সুযোগ পাব, পঠনত তেওঁলোক সিমানেই আগবাঢ়ি যাব। এইটো এটা উৎকৰ্ষ সাধনৰ সহায়ক চত্ৰ ।

এজন শিক্ষক হিচাপে যিয়ে পঢ়ে আৰু এজন পাঠক হিচাপে যিয়ে শিকায়, আপুনি তেনে এজন গুৰুত্বপূৰ্ণ আৰ্হি ব্যক্তি আৰু আপুনিয়ে ছাত্ৰ-ছাত্ৰীক পঠনৰ আনন্দ উপভোগ কৰিবলৈ অনুপ্ৰাণিত কৰিব পাৰে।

এই গোটটোত আপোনাক শ্ৰেণীকোঠাৰ অনুশীলনৰ সৈতে পৰিচিত কৰোৱা হ'ব, যিটোৱে পঠনৰ প্ৰতি তেওঁলোকৰ পঢ়াৰ 'ইচ্ছা' আৰু 'কৌশল'ৰ প্ৰতি যোগাত্মক মনোভাৰ গঢ়ি তুলিব।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পঠনৰ এজন আদৰ্শ আৰ্হি কেনেকৈ হ'ব পাৰি।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঠন আনন্দ বঢ়াই তুলিবৰ বাবে কেনেকৈ ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰিব।
- ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ আৰু সহযোগী শিকনৰ বাবে কেনেকৈ যুৰীয়া পঠন সংগঠিত কৰিব।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

এজন পাঠক হোৱাৰ বহুতো লাভালাভ আছে। পঠন কাৰ্য ই আমাক মানসিকভাৱে উদ্দীপিত কৰে। পঠনে জ্ঞান, সজাগতা আৰু বোধৰ বিকাশ ঘটায়। পঠনে শ্ৰৱণ আৰু কথন পটুতা বৃদ্ধি কৰে আৰু ভালকৈ লিখাৰ দক্ষতাৰ ওপৰত প্ৰভাৱ পেলায়। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সলসলীয়াকৈ পঢ়িব পৰা নাই তেনে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকক দিয়া শিকনৰ সুবিধাবোৰ গ্ৰহণ কৰিব নোৱাৰে আৰু লগৰ সকলৰ পৰা পিছ পৰি যায়।

আমি যদি কোনো এটা বিশেষ ত্ৰি য়া-কলাপ কৰি আনন্দ পাওঁ তেনেহ'লে সেইটো আমি বৰ সঘনাই কৰিবলৈ বিচাৰোঁ। যিমানেই বেছিকৈ আমি ত্ৰি য়া-কলাপ কৰিম সিমানেই আমি ভাল ফল পাম। পঠনৰ দৰে আন কৌশল বিলাকৰ বিকাশৰ ক্ষেত্ৰতো এইটো সত্য। আপোনাৰ ছাত্ৰ-ছাত্ৰীকো যদি এক আনন্দদায়ক উপায়ৰ দ্বাৰা সঘনে পঠনৰ সুবিধা দিয়ে, তেনেহ'লে আপুনি তেওঁলোকক আত্মবি ধাসী আৰু জীৱনজোৰা পাঠক হিচাপে গঢ়ি তুলিব পাৰে।

## ১) পঠনৰ আদৰ্শ আৰ্হি হৈ (1 Being a reading role model)

ছাত্ৰ-ছাত্ৰীৰ পঠনৰ মনোভাৱ তেওঁলোকৰ শিক্ষকৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হয়। এই গোটটোৱে পঠনৰ যথেষ্ট পৰামৰ্শ দিছে, য'ত আপুনি এই আদৰ্শ আৰ্হি সম্পৰ্কে বহলভাৱে জানিব পাৰিব।

আপুনি এজন শিক্ষকৰ এটা ঘটনা অধ্যয়নৰ পঠনেৰে পাঠ আৰম্ভ কৰিব, যিজন শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ আনন্দ পাব পৰাকৈ এটা উপায় উদ্ভাৱন কৰিছিল।

### ঘটনা অধ্যয়ন ১ ঃ বাতৰি কাকত পঠন (Case Study 1: Reading the newspaper)

ৰাবিয়া আমিনে শিৱসাগৰৰ এখন বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে সামৰি বহু স্তৰীয় ছাত্ৰ-ছাত্ৰীক পঢ়ায়। শ্ৰেণীটোক পঠনৰ আনন্দ দিবৰ বাবে তেওঁ কেনেকৈ বাতৰি কাকত ব্যৱহাৰ কৰি পঠন কাৰ্য দেখুৱায় তাকে ইয়াত তেওঁ বৰ্ণনা কৰিছে।

দুৰ্ভাগ্যবশতঃ, ঘৰুৱা কাম আৰু দায়িত্বৰ বাবে মই বিচৰামতে পঢ়াৰ সময় উলিয়াব নোৱাৰোঁ। তথাপি, মই মোৰ ছাত্ৰ-ছাত্ৰীক পঠনৰ মূল্য আৰু পঠনৰ আনন্দ উপলব্ধি কৰিবলৈ সক্ষম কৰি তোলাতো মোৰ বাবে গুৰুত্বপূৰ্ণ।

এইবছৰৰ এদিনাখন ৰাতিপুৱা মই যেতিয়া দৈনিক বাতৰি কাকতত এটা কাহিনী পঢ়ি আছিলোঁ তেতিয়া মোৰ ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণীলৈ সোমাই আহিছিল। তেওঁলোকে যেতিয়া বহিছিল, মই তেতিয়া বাতৰি কাকতখন কাষত থৈছিলোঁ আৰু কৈছিলোঁ যে এইমাত্ৰ মই এটা মনোগ্ৰাহী বিষয়ে পঢ়িলোঁ, এইটো আছিল Delhi eye - the biggest ferris wheel in India, শীৰ্ষক।

মই তেওঁলোকক দৈত্যকায় চকাৰ এখন ছবি দেখুৱাই কৈছিলোঁ ঃ ইয়াত কোৱা হৈছে যে ওপৰৰ পৰা যিকোনো মানুহে আমাৰ স্মৃতিসোধ যেনে- কুটুব মিনাৰ, লালকিল্লা, অক্ষৰধাম মন্দিৰ, লোটাচ মন্দিৰ, হুমায়ুন টমব্ আদি চাব পাৰে। এই বাতৰিয়ে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক বিমোহিত কৰিছিল।

মই তেওঁলোকক বহলাই বুজাই দিছিলোঁ যে বাতৰি কাকতত এনে মনোগ্ৰাহী কথা পঢ়িবলৈ পোৱা যায়। মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক স্কুললৈ আহোঁতে স্কুলৰ বাহিৰত বাতৰি কাকত দেখিবলৈ পাইছিল নেকি সুধিছিলোঁ। এজন বা দুজন ছাত্ৰই স্কুলৰ বাহিৰৰ স্থানীয় দোকানত ডাঙৰ ডাঙৰ হৰফেৰে প্ৰধান বাতৰি লিখা আৰু ছবি থকা বাতৰি কাকত দেখা বুলি কৈছিল। আন এজনে তেওঁৰ দেউতাক ৰাজহুৱা কেন্দ্ৰলৈ বাতৰি পঢ়িবলৈ প্ৰতিদিনে যোৱা বুলিও কৈছিল। মই এই আলোচনাটোৰ পৰা মোৰ ছাত্ৰ-ছাত্ৰী সম্বন্ধে অলপ হ'লেও কথা জানিব পাৰিছিলোঁ।

তেতিয়াৰে পৰা মই প্ৰতি ৰাতিপুৱা বাতৰি কাকতৰ কিছু অংশ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিছিলোঁ। প্ৰত্যেক বাৰতে মই কেনেকৈ বাতৰি কাকত লুটিয়াইছিলোঁ সেইটো তেওঁলোকক নিৰীক্ষণ কৰিবলৈ দিছিলোঁ লগতে যিটো বাতৰি তেওঁলোকৰ কাৰণে নিৰ্বাচন কৰিম বুলি ভাবিছিলোঁ সেইটো যাতে ছাত্ৰ-ছাত্ৰীৰ বাবে মনোগ্ৰাহী হয় সেই বিষয়ত গুৰুত্ব দিছিলোঁ। এইটো মোৰ বাবে আনন্দদায়ক আছিল আৰু এই কাৰ্যটোৱে মোক দৈনিক বাতৰি কাকত পঢ়াৰ এটা সুযোগ দিছিল। মোৰ ছাত্ৰ-ছাত্ৰীসকলেও স্থানীয় আৰু আন্তৰ্জাতিক বাতৰি বিচাৰিবলৈ আগবাঢ়ি আহিছিল।

এটা চমু আলোচনাৰ মাজেৰে মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক যেতিয়া বাতৰিত প্ৰকাশিত নতুন কথাৰ লগত পৰিচয় কৰাইছিলোঁ তেতিয়া মই তেওঁলোকক তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰ লগত বাতৰিৰ ঘটনা সংযোগ কৰিবলৈ সক্ষম হৈছিলোঁ।

অতি সোনকালে মোৰ শ্ৰেণীকোঠাত আলোচনী আৰু বাতৰি কাকতৰ এটা দ'ম তৈয়াৰ হ'ল। মই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ দিছিলোঁ যে তেওঁলোকে বন্ধু-বান্ধৱীৰ বাবে ৰৈ থকা সময়খিনিত বাতৰি কাকত আৰু আলোচনীৰ পাত লুটিয়াই চাব পাৰে। কিছুসময়ৰ পাছত মই প্ৰতিদিনে শ্ৰেণীৰ প্ৰথম ১৫ মিনিট সময় সকলো ছাত্ৰ-ছাত্ৰীকেই এই বাতৰি কাকত আৰু আলোচনীৰ পাত লুটিয়াবলৈ দিছিলোঁ আৰু পঢ়িবলৈ দিছিলোঁ। কিছুমানে এই কামটো নিজে নিজে কৰিবলৈ সক্ষম হৈছিল। কিছুমানে লগ হৈ কৰিছিল। তেওঁলোকক একে অভিব্যক্তি প্ৰকাশ কৰি একেলগে পঢ়া শুনিছিলো, যিটো তেওঁলোকৰ লগত মই কৰিছিলোঁ। যেনে - Isn't this interesting! Let's see what this says! কেতিয়াবা কেতিয়াবা মই ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত একেলগে পঢ়িবলৈ কৈছিলোঁ। মাজে সময়ে মই তেওঁলোকে কোনো শব্দৰ অৰ্থ ভাঙি দিয়া শুনিবলৈও পাইছিলোঁ। অলপতে মই মোৰ ছাত্ৰ-ছাত্ৰীক কোনো বিশেষ লিখনি ইজন সিজনক নিৰ্দিষ্ট লিখনি পঢ়িবলৈ কোৱা শুনিছিলোঁ। তেওঁলোকে ইজনে সিজনক কওঁতে এনেদৰে কৈছিল - "Have you read this?" (তুমি এইটো পঢ়িছানে?) মই এই কম সময়ৰ ভিতৰত শ্ৰেণীতেই মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ প্ৰতি আগ্ৰহ আৰু কৌশল সম্পৰ্কে তেওঁলোকক অনানুষ্ঠানিকভাৱে নিৰীক্ষণ কৰিছিলোঁ।

## চিন্তন (Pause for thought)

- ৰাবিয়া আমিনাৰ বাতৰি কাকতৰ ত্ৰি য়া-কলাপে তেওঁৰ ছাত্ৰ-ছাত্ৰীক পঠনৰ বিষয়ে কি শিকালে? (What does Ms Rabia's newspaper activity teach her students about reading?)
- তেওঁৰ পদ্ধতিটোৰ পৰা কি লাভালাভ হ'ল? তাত কিবা সম্ভাব্য বাধা বা অসুবিধা আছে নেকি? (What are the benefits of her approach? Are there any potential drawbacks?)
- তেওঁৰ কোনটো অনুশীলন আপুনি আপোনাৰ শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব? (Which of her practices could you apply in your own classroom?)

ৰাবিয়া আমিনাই বাতৰি পঠন ত্ৰি য়া-কলাপটো ছাত্ৰ-ছাত্ৰীৰ বাবে এটা আদৰ্শ ত্ৰি য়া-কলাপ হিচাপে লৈছিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ বাতৰি কাকতৰ পৰা লিখনি বাছি ল'ব লাগে সেই কামটো দেখুৱাই দিছিল লগতে বাতৰিবোৰ ছাত্ৰ-ছাত্ৰীক পঢ়ি শুনাইছিল আৰু সেই সম্বন্ধে মতামত ব্যক্ত কৰিবলৈ তেওঁলোকক কৈছিল যিটো তেওঁ ছাত্ৰ-ছাত্ৰীৰ বাবে মনোগ্ৰাহী হ'ব বুলি ভাবিছিল।

ৰাবিয়া আমিনাই প্ৰতিদিনে পঠনৰ এই পথবোৰ এফালে সজাই ছাত্ৰ-ছাত্ৰীসকলক ত্ৰি য়া-কলাপৰ গুৰুত্ব উপলব্ধি কৰোৱাবলৈ নিয়মিতভাৱে ত্ৰি য়া-কলাপ প্ৰদৰ্শন কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক পঠন সামগ্ৰী, বাতৰি কাকত, আলোচনী আদি চাবলৈ দিয়াৰ লগতে

তেওঁলোকক কোনো এটা ভাল লগা বাতৰি নিৰ্বাচন কৰি তেওঁ প্ৰত্যেককে সহপাঠীৰ লগত অংশীদাৰী হ'বলৈ প্ৰেৰণা দিছিল। ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুসৰি তেওঁ প্ৰত্যেককে ডাঙৰকৈ হওক বা মনে মনে বা যুৰীয়াভাৱেই হওক পঠনৰ ত্রি য়া-কলাপত ব্যস্ত ৰাখিবলৈ সক্ষম হৈছিল। ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক সৰু সকলৰ লগত পঠন কাৰ্য কৰিবলৈ দি তেওঁ ডাঙৰ বিলাকৰ পঠন কৌশল বিকাশ আৰু দৃঢ় হোৱাত গুৰুত্ব প্ৰদান কৰিছিল।

এই ত্রি য়া-কলাপটোৰ এটা অসুবিধা হ'ল যে বাতৰি কাকত বা আলোচনী বিলাক আছিল কমেও ভালদৰে পঢ়িব পৰা পাঠকৰ বাবে। একেদৰে বাতৰি কাকতৰ বহুতো লিখনিয়ে পঢ়িবলৈ জনা আৰু বুজি পোৱা সকলৰ বাবেহে যিটো তল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আশা কৰিব পৰা নগৈছিল। সেইবাবেই এই ত্রি য়া-কলাপটো কম বয়সীয়া ল'ৰা-ছোৱালী বা প্ৰাক্ পঢ়ুৱৈৰ বাবে সঠিক নহয়।

আপোনাৰ ছাত্ৰ-ছাত্ৰী যিটো স্তৰৰেই নহওক কিয় তেওঁলোকে পঠনৰ কিছু অভিজ্ঞতা পাব লাগে। ইতিবাচকেই হওক বা নেতিবাচকেই হওক, পঠনৰ প্ৰতি তেওঁলোকৰ এটা মনোভাৱ থাকিব; আৰু সেই মনোভাৱৰ ভিত্তি হ'ল বিদ্যালয়, ঘৰ বা তেওঁলোকৰ সমাজত পোৱা অভিজ্ঞতা।

কেনেধৰণৰ পঠন ত্রি য়া-কলাপ নিয়মিতভাৱে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত কৰাব পাৰিব? সকলো ছাত্ৰ-ছাত্ৰীয়ে যে সাঙুৰ খাইছে সেইটো আপুনি কেনেকৈ নিশ্চিত কৰিব? আপোনাৰ ভাব ধাৰণাবোৰ আপোনাৰ সহকৰ্মীৰ সৈতে আলোচনা কৰক।

ইয়াৰ পাছৰ ভাগত, শ্ৰেণীকোঠাত কিতাপৰ কথা-বাৰ্তাৰ [Book talk] গুৰুত্ব বা মূল্য সম্পৰ্কে আপুনি শিকিব পাৰিব। এইটো এটা নিয়মিত ত্রি য়া-কলাপ আৰু আপুনি শ্ৰেণীৰ যিকোনো পাঠ পঢ়াওঁতে ইয়াক সাঙুৰি পঢ়াব পাৰিব।

## ২) কিতাপৰ বিষয়ে কথোপকথন (2 Book talk)

### চিন্তন (Pause for thought)

- আপুনি এনে কি উৎকৃষ্টমানৰ পঢ়িলে, যিবোৰ আপুনি আপোনাৰ এজন বন্ধুক এইবোৰ পঢ়িবলৈ পৰামৰ্শ দিব পাৰে।
- নীৰস বা টান হোৱাৰ বাবে আপুনি কি পঢ়িবলৈ আৰম্ভ কৰি এৰি দিলে?
- পঠনৰ ক্ষেত্ৰত আপোনাৰ কোনো বিশেষ ভাল লগা বা বেয়া লগা আছে নেকি?

এনেধৰণৰ প্ৰ.ই 'কিতাপৰ কথা-বাৰ্তা'ৰ প্ৰতি উদ্দীপিত কৰে। পাঠক হিচাপে আপুনি দিয়া উত্তৰবোৰৰ এক গুৰুত্বপূৰ্ণ দিশ আছে। তলৰ ঘটনা অধ্যয়নত এই সম্পৰ্কে এজন শিক্ষকে কেনেকৈ কিতাপৰ কথা বাৰ্তা তেওঁৰ পাঠত সংযোগ কৰি পাঠ পঢ়ুৱাইছে চাওক।

## ঘটনা অধ্যয়ন ২ ঃ শ্ৰেণীকোঠাত কিতাপ সম্বন্ধীয় কথোপকথনত উৎসাহ দিয়ক

## Case Study 2: Encouraging book talk in the classroom

ৰশ্মি মৰল বিজনীৰ এগৰাকী অষ্টম শ্ৰেণীত পঢ়ুৱা শিক্ষয়িত্ৰী। ইয়াত তেওঁ ছাত্ৰ-ছাত্ৰীক কিতাপ সম্পৰ্কীয় কথা-বাৰ্তাৰ প্ৰতি কেনেকৈ উৎসাহিত কৰিছে সেই বিষয়ে ব্যাখ্যা কৰিছে।

যোৱা বছৰলৈকে মোৰ গতানুগতিক শিক্ষকতাত মই মাত্ৰ ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পঢ়িবলৈ দিছিলোঁ আৰু পাঠৰ পৰা প্ৰ.ৰ উত্তৰ লিখিবলৈ কৈছিলোঁ। মোৰ স্থানীয় 'জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান' (DIET) ত হোৱা এটা কৰ্মশালাত অংশগ্ৰহণ কৰি মই সিদ্ধান্ত লৈছিলোঁ যে, যদি মোৰ ছাত্ৰ-ছাত্ৰীসকলে পঠনৰ বিষয়ে আৰু বেছি বুজি পোৱাতো বিচাৰোঁ তেন্তে মই মোৰ শিক্ষণ শৈলী সলনি কৰাৰ প্ৰয়োজন আছে।

এটা গল্প নিৰ্বাচিত কৰি মই শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পঢ়িবলৈ দিয়া কাৰ্যৰে মই মোৰ কাম আৰম্ভ কৰিছিলোঁ। এই গল্পটো আছিল 'Children at Work' আৰু ইয়াক NCERT ৰ অষ্টম শ্ৰেণীৰ পাঠ্যপুথি 'Honey Dew' ৰ পৰা লোৱা হৈছিল। মই যেতিয়া গল্পটো পঢ়ি শেষ কৰিছিলোঁ তাৰপাছত মই মোৰ প্ৰতিত্রি য়া এনেভাৱে প্ৰকাশ কৰিছিলোঁ— মই এই গল্পটো পঢ়ি দুখ পাইছিলোঁ, যিহেতু মই শিশু শ্ৰমিক সম্বন্ধীয় কাহিনী পঢ়িবলৈ ভাল নাপাওঁ। যিয়েই নহওক এই গল্পটো ভেলু নামৰ ল'ৰাটোৰ বাবে এটা ভাল ৰোমাঞ্চকৰ অভিযান আছিল। তেওঁৰ কি হ'ব ভাবি মই আচৰিত হওঁ। তোমালোকে কি ভাবা?

তাৰপাছত মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক কাহিনীটো সম্বন্ধে তেওঁলোকৰ অংশীদাৰৰ লগত দুই মিনিট সময় কথা পাতিবলৈ দিছিলোঁ। মই তেওঁলোকক কেইটামান প্ৰ.ৰ সহায়ত মনত পেলাই দিছিলোঁ— যেনে - 'What did you like?' (তোমালোকে কি ভাল পোৱা?)

‘What didn’t you like?’ (তোমালোকে কি ভাল নোপোৱা) আৰু ‘What did you find puzzling?’ (কেনেধৰণৰ দোধোৰ মোধোৰত পৰিছা?) অৱশেষত মই এজন এজন ছাত্ৰক মাতি আনি তেওঁলোকৰ কাহিনীটো সম্বন্ধে হোৱা প্ৰতিক্ৰিয়া বাকী থকা ছাত্ৰ-ছাত্ৰীৰ আগত ব্যক্ত কৰিবলৈ কৈছিলোঁ।

প্ৰথমতে, তেওঁলোকে এইদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰাত অসুবিধা পাইছিলে কিয়নো তেওঁলোকে এনেদৰে কোৱাত অভ্যস্ত নাছিল। যেই হওক এইদৰে বিভিন্ন পাঠ লৈ ক্ৰিয়া-কলাপটো বাৰে বাৰে কৰোৱাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিক্ৰিয়া ব্যক্ত কৰি সকলোৰে লগত ভাগ লোৱাত অভ্যস্ত হৈছিল। এতিয়া তেওঁলোকে আত্মবিশ্বাসেৰে সৈতে পাঠটো পঢ়ি আনন্দ পোৱাৰ কথাই নকয় তেওঁলোকে লগতে কাৰণো দৰ্শাব পৰা হৈছে। তেওঁলোকৰ অভিজ্ঞতাক ভিত্তি কৰি ছবি আঁকিবলৈ আৰম্ভ কৰিছিল আৰু বাস্তৱ জীৱনৰ পূৰ্বতে পঢ়া আৰু আলোচনা কৰা পাঠকো সামৰি লৈছিল। যেতিয়া মোৰ ছাত্ৰ-ছাত্ৰীয়ে এইদৰে মুক্তভাৱে পাঠৰ কথা কৈছিল, তেতিয়া মই তেওঁলোকৰ বোধৰ দক্ষতা সম্বন্ধে পাঠৰ অনুশীলনতকৈও বেছি গাঢ়ভাৱে মূল্যায়ন কৰিবলৈ সক্ষম হৈছিলোঁ।

পাঠ্যপুথিখনক পথ প্ৰদৰ্শক হিচাপে লৈ মই যেতিয়া বোধৰ প্ৰশ্নবোৰ ধাৰাবাহিকভাৱে কৰিছিলোঁ, তেতিয়া মই শ্ৰেণীত আগতে পঢ়া কথাবোৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সদায় অধিক মুকলি আলোচনা কৰিবলৈ সুবিধা দিছিলোঁ।

## **চিন্তন** (Pause for thought)

- ৰমি মৰলৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত পাঠৰ বিষয়ে কথা-বাৰ্তা কৰি শিকা বুলি আপুনি ভাবেনে?
- এই শ্ৰেণীবোৰত ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ কৰি তেওঁলোকৰ পঠন বিকাশৰ ক্ষেত্ৰত ৰমি মৰলে কেনে অভিজ্ঞতা লাভ কৰিছে?

পঠন বোধ আপোনা আপুনি বিকাশ নহয়; ইয়াক নিশ্চয় শিকাব লাগিব। ছাত্ৰ-ছাত্ৰীৰ লগত পাঠৰ অৰ্থৰ বিষয়ে গভীৰ চিন্তা আৰু বাৰ্তালাপৰ দ্বাৰা আৰু শিক্ষকক আদৰ্শ হিচাপে লৈ বোধ প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰি।

যেতিয়া ছাত্ৰ-ছাত্ৰীক তেওঁলোকে শুনা বা পঢ়া পাঠৰ বিষয়ে কথা ক’বলৈ উৎসাহিত কৰা হয়, তেতিয়া তেওঁলোকৰ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ আৰু ব্যাখ্যা কৰিবলৈ আত্মবিশ্বাস বাঢ়ে।

প্ৰাপ্তবয়স্ক হিচাপে আমি সচৰাচৰ কি পঢ়িম সেইটো সহজে বাছি ল’ব পাৰোঁ। আমি প্ৰায়ে কিছু এনে পাঠত গুৰুত্ব দিওঁ যিবোৰ সাধাৰণতে বেলেগ। আমি পঠনৰ ওপৰত প্ৰতিফলন কৰোঁ আৰু আনৰ লগত ইয়াক আলোচনা কৰোঁ। আমাৰ দৰে এনে কাম কৰিবলৈ আমি ছাত্ৰ-ছাত্ৰীক উৎসাহ দিয়া উচিত তেওঁলোকে ভাল পোৱা কিতাপ পছন্দ কৰি পঢ়িবলৈ দিব আৰু কি পঢ়িলে সেইখিনিক বুদ্ধিমত্তাৰে সঁহাৰি জনাব বা গ্ৰহণ কৰিব।

## ক্ৰিয়া-কলাপ ১ ঃ কিতাপৰ বিষয়ে কথোপকথন কৰাৰ সময় (Activity 1: A book talk session)



চিত্ৰ ১ ঃ শ্ৰেণীকোঠাত এখন কিতাপৰ বিষয়ে কোৱা হৈছে

আপোনাৰ শ্ৰেণীত কিতাপৰ কথা-বাৰ্তাৰ বাবে চমু পিৰিয়দ এটাৰ পৰিকল্পনা কৰক। এই পিৰিয়দটো ৩০ মিনিটতকৈ বেছি হ’ব নালাগে।

আপুনি এটা কাল্পনিক বা সঁচা ঘটনা বাছি লওক। ই এটা কাহিনী, বাতৰি কাকতত অহা ৰচনা, নাটক বা কবিতা হ'ব পাৰে।

যি পাঠেই বাছি লয় প্ৰথমতে আপুনি অচিনাকি শব্দবোৰ আগেয়ে জনাই দিব। পাঠটো আৰম্ভ কৰাৰ লগে লগে আৰু অচিনাকি শব্দবোৰ প্ৰথমতে বুজাই দিলে, ছাত্ৰ-ছাত্ৰীৰ উৎকণ্ঠা লাঘৱ হয় আৰু কি বুজাবলৈ গৈছে সেইটো তেওঁলোকৰ বুজাত সহায়ক হয়।

পাঠটো ডাঙৰকৈ পঢ়ি শুনোৱাৰ পাছত আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠ সম্বন্ধে কি ভাবিছে আৰু কেনে ভাৱনাই আপোনাক পাঠটোৰ প্ৰতি আকৰ্ষণ কৰিছে সেই বিষয়ে চমুকৈ ক'ব। এনেকুৱা আৰ্হি কথোপকথন গুৰুত্বপূৰ্ণ যদিও আৰম্ভণিতে কিছু সাৱধান হোৱা ভাল নহ'লে পাঠৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ নিজৰ সঁহাৰি আপোনাৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা বেছি হ'ব পাৰে। উদাহৰণস্বৰূপে, প্ৰ.ন সুধি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিত্ৰি য়া প্ৰকাশ কৰাৰ সুবিধা দিয়ক —

- তেওঁলোকে পাঠটোৰ বিষয়ে কি ভাল পালে আৰু কি ভাল নাপালে?
- পাঠটোৰ চৰিত্ৰ সম্বন্ধে তেওঁলোকে কি ভাবে?
- পাঠটোত কিবা খোকোজা লগা কথা আছে নেকি?
- তেওঁলোকে কিবা উপদেশ দিব নেকি?

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা সকলো প্ৰতিত্ৰি য়াৰ প্ৰতি আপোনাৰ উৎসাহজনক মনোভাৱ দেখুৱাওক।

যদি আপোনাৰ শ্ৰেণীটোত বেছি ছাত্ৰ-ছাত্ৰী আছে, তেনেহ'লে বেলেগ বেলেগ দলৰ ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিদিনে আপুনি কিতাপৰ কথা-বাৰ্তাৰ বাবে সময়ৰ পৰিকল্পনা কৰক। শ্ৰেণীত এই সৰু সৰু দলৰ লগত আপুনি যেতিয়া ব্যস্ত থাকে তেতিয়া বাকী থকা ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ কথা-বাৰ্তাৰ লগত সম্পৰ্ক থকা কিছুমান স্বতন্ত্ৰীয় কাম কৰিবলৈ দিয়ক।


এনেদৰে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুসৰি দল গঠন কৰি প্ৰতিটো দলৰ বাবে উপযোগী হোৱাকৈ পাঠ নিৰ্বাচন কৰক। আপুনি ছাত্ৰ-ছাত্ৰীৰ আগত ডাঙৰকৈ পাঠ পঢ়াতেই কিতাপৰ কথা-বাৰ্তা সীমিত হ'ব নালাগে, ছাত্ৰ-ছাত্ৰীয়ে নিজেও পঢ়িব পৰাকৈ ইয়াক সম্প্ৰসাৰিত কৰিব পাৰে।

Talk for learning আপুনি এইক্ষেত্ৰত মুখ্য সমলৰ সহায় ল'ব পাৰে।

**ভি.ডি.অ'ঃ শিকনৰ বাবে কথোপকথন** (Video: Talk for learning)

## ত্ৰি য়া-কলাপ ২ ঃ ছাত্ৰ-ছাত্ৰীৰ কিতাপৰ পুনৰালোচনা (Activity 2: Student book reviews)

কিতাপৰ কথা-বাৰ্তাৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে কি পঢ়িলে সেইবিষয়ে চমুকৈ টোকা লিখিবলৈ দি আপুনি কিতাপৰ কথা-বাৰ্তাৰ সময় বঢ়াব পাৰে। কিতাপ পুনৰালোচনাৰ বাবে চিত্ৰ ২ ত দিয়া আদৰ্শ উদাহৰণ যদি ইচ্ছা কৰে ল'ব পাৰে। শ্ৰেণীত আলোচনা কৰাৰ দৰে ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ পুনৰালোচনা কৰি দিয়া মতামতক গ্ৰহণ কৰা আৰু মূল্য দিয়া উচিত।



Book Review Form

Name: ____________________

The book's title and author are

Something I liked was

The most memorable part was

I would recommend the book because

**Figure 2** A book review template. (Source: Education World, undated)

বোধ আৰু পঠনৰ আনন্দৰ প্ৰতি সঁহাৰি জনাবৰ বাবে যুৰীয়া পঠনৰ অনুশীলনৰ বাবে আপুনি পাছৰ অংশত পঢ়িব পাৰিব।

## ৩) যুৰীয়া পঠন (3 Paired reading)

অকলে পঢ়াতকৈ দুজনে লগ হৈ পঢ়িলে বেছি লাভৱান হ'ব পাৰি আৰু এইটো এটা আনন্দদায়ক কাম হ'ব পাৰে।

যুৰীয়া পঠনে সহায়ক, সহযোগী শিকনৰ এটা আকাৰ দিয়ে, অৰ্থাৎ যেতিয়া এজন ছাত্ৰ আনজনতকৈ পঢ়াৰ ক্ষেত্ৰত কম আত্মবিশ্বাসী হয়। ছাত্ৰ-ছাত্ৰীসকল ইজনে-সিজনৰ প্ৰতি একো একোজন সংবেদনশীল আৰু সমৰ্থবান শিক্ষক হ'ব পাৰে। এনেদৰে আপোনাৰ ছাত্ৰ- ছাত্ৰীক সংগঠিত কৰাৰ বিষয়ে অধিক জানিবলৈ সমল ১ 'যুৰীয়া কামৰ প্ৰয়োগ' পঢ়ি চাওক।

**ভি.ডি.অ'** ঃ যুৰীয়া কামৰ প্ৰয়োগ (Video: Using pair work)

যুৰীয়া পঠনত দুজন ছাত্ৰই এখন কিতাপকে লৈ পালপাতি কিতাপখনৰ বাক্য, দফা বা পৃষ্ঠা পঢ়ে। প্ৰথমতে এজনে পঢ়িব আনজনে শুনি কি পঢ়িছে মন কৰি যাব। পাছত দ্বিতীয়জনে পঢ়োঁতে প্ৰথমজনে এবাৰ পৰা পঢ়া আৰম্ভ কৰিব। যদি তেওঁলোকৰ এজনে কিবা অসুবিধাত পৰে বা পঢ়োতে ভুল কৰে তেতিয়া তেওঁৰ লগৰজনে সহায় বা শুদ্ধ কৰি দিব।



চিত্ৰ ৩ ঃ যুৰীয়া পঠন

আপুনি একেধৰণৰ অৰ্থাৎ একে পৰ্যায়ৰ পঠন দক্ষতাৰ ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্যৰ বাবে ল'ব পাৰে। একেধৰণে সলসলীয়াকৈ পঢ়িব পৰা ছাত্ৰ-ছাত্ৰীৰ লগত সলসলীয়াকৈ পঢ়িব নোৱাৰা ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্য দি নাইবা বহু স্তৰীয় শ্ৰেণীকোঠাৰ কম বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ লগত বেছি বয়সীয়া ছাত্ৰ-ছাত্ৰীক যুৰীয়া পঠন কাৰ্য কৰাব পাৰে। ভালদৰে যুৰীয়া কাৰ্য গঠন কৰিব পাৰিলে এনে যুৰীয়া পঠনে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীক সাঙুৰি ল'ব পাৰে।

এতিয়া দ্বিভাষিক ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত যুৰীয়া পঠনৰ লাভালাভক স্বীকৃতি দিয়া এজন শিক্ষকৰ ঘটনা অধ্যয়ন এটা পঢ়ি চাওক।

## ঘটনা অধ্যয়ন ৩ ঃ দ্বিভাষিক পঠন সহায়ৰ বাবে যুৰীয়া কাৰ্য (Case Study 3: Pair work for bilingual reading support)

মিন্টু ৰয় দৰঙৰ এখন গাঁৱৰ স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পঢ়োৱা এজন শিক্ষক।

মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ কিছুমানে চাদ্ৰী ভাষা কয় কাৰণ এইটো তেওঁলোকৰ ঘৰুৱা ভাষা। তেওঁলোকে বিদ্যালয়ত অসমীয়া ভাষা কোৱা আৰু বুজি পোৱাৰ ক্ষেত্ৰত লাহে লাহে আগবাঢ়িছে কিন্তু ডাঙৰকৈ পঢ়াৰ ক্ষেত্ৰত তেওঁলোকৰ আত্মবিশ্বাস জন্মা নাই। মই শ্ৰেণীত চুৰুমী নামৰ ছোৱালী এজনীয়ে কেনেকৈ শ্ৰেণীকোঠাত কিতাপবোৰ কেনেকৈ চাই থাকে সেই কথা লক্ষ্য কৰিছিলোঁ। মই দেখিছিলোঁ যে তাই ছবিবোৰত মনোনিৱেশ কৰিছে কিন্তু আখৰবোৰ যে পঢ়িব পৰা নাই সেইটো বুজা গৈছিল।

এদিনাখন মই তেওঁৰ ওচৰত বহিছিলোঁ তেওঁ কিতাপবোৰ চাই আছিল আৰু মই তেওঁক কিতাপৰ কাহিনীটোনো কি সুধিছিলোঁ। তেওঁ মোৰ প্ৰশ্নটো বুজি পাইছিল কিন্তু উত্তৰ দিবলৈ অসুবিধা পাইছিল। সেইকাৰণে মই কিতাপখনৰ কিছু অংশ পঢ়িছিলোঁ লগতে ছবি আৰু শব্দবোৰ আঙুলিয়াই দিছিলোঁ। পাছত মই কেইটামান সহজ প্ৰশ্ন কৰিছিলোঁ আৰু তেওঁ চাদ্ৰী আৰু অসমীয়া সানমিহলিকৈ মোক উত্তৰ দিছিল। মোৰ এটা কথা মনলৈ আহিছিল যে চাদ্ৰী আৰু অসমীয়া দুয়োটা ভাষা জনা ওপৰ শ্ৰেণীৰ ল'ৰা এজনৰ হতুৱাই চুৰুমীক কিতাপখন পঢ়াই শুনাওঁ। ল'ৰাজনে যেতিয়া এই কামটো কৰিছিল তেওঁ ঘৰুৱা ভাষাত অৰ্থটো বুজাই দিছিল। চুৰুমীয়ে খুউব মনোযোগেৰে শুনিছিল আৰু চাদ্ৰী আৰু অসমীয়া সানমিহলি কৰি ল'ৰাজনৰ প্ৰশ্নৰ উত্তৰ দিছিল।

মই আন এখন ছবি থকা মনোগ্ৰাহী কিতাপ বাছি লৈছিলোঁ আৰু চুৰুমীয়ে এই কিতাপখন চাই ভাল পাব বুলি ভাবিছিলোঁ। মই দেখিছিলোঁ যে কিতাপখনত লোক কাহিনী আছে আৰু তাত সঘনাই প্ৰয়োগ কৰা কিছুমান খণ্ডবাক্য আছে। মই মোৰ এজন সহকৰ্মীক কাহিনীটো চাদ্ৰীলৈ অনুবাদ কৰিবলৈ কৈছিলোঁ যাতে চুৰুমীয়ে চাদ্ৰী আৰু অসমীয়া দুয়োটা ভাষাতেই কাহিনীটো দেখিবলৈ পায়। লাহে লাহে চুৰুমীয়ে অসমীয়া শব্দ বুজি পোৱা হ'ল আৰু কিতাপখনৰ বেছিভাগেই বুজি পোৱা হৈ আহিল। বৰ্তমান তাই কিছু টান শব্দৰ কিতাপ লগতে দীঘল বাক্যও পঢ়িব পৰা হ'ল। তাইৰ এই পঠনৰ অগ্ৰগতি দেখি সচাঁকৈয়ে আনন্দ পাইছোঁ।

### চিন্তন (Pause for thought)

- বিদ্যালয়ত ঘৰুৱা ভাষা ব্যৱহাৰ কৰি শিকোৱাটো উপযুক্ত হোৱা বুলি আপুনি ভাবেনে? কিয় ভাবে বা কিয় নাভাৱে?
- চাদ্ৰী ভাষা জনা ছাত্ৰজনক চুৰুমীক সহায় কৰিবলৈ কিয় যুৰীয়া পঠনৰ বাবে নিযুক্ত কৰা হৈছিল বাৰু?

আমি সকলোৱে এনে এটা পৰিৱেশত থাকোঁ য'ত বিভিন্ন ভাষা ভাষীৰ মানুহেৰে সমাজখন গঠন হৈছে আৰু সকলো ভাষাই আমাৰ বাবে একো একোটা মূল্যৱান সমল। আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীক ঘৰুৱা ভাষা প্ৰয়োগ কৰিবলৈ উৎসাহ দিব যাতে তেওঁলোকে বিদ্যালয়ত সহজভাৱে আৰু দৃঢ়তাৰে মিলা মিছা কৰিব পাৰে। এনে কাৰ্যই তেওঁলোকৰ অসমীয়া ভাষাৰ বিকাশ সাধনত সহায়ক হ'ব। আপুনি কাৰোবাৰ ঘৰুৱা ভাষা নাজানিলেও আপোনাৰ শ্ৰেণীত এনে কিছু ছাত্ৰ-ছাত্ৰী আছে যিয়ে বাকীসকলক সহায় কৰিব পাৰে। একে ঘৰুৱা ভাষা কোৱা ছাত্ৰ-ছাত্ৰীক সৰু সৰু গোটত বা দুজনীয়া দলত পঠন কাৰ্য কৰিবলৈ উৎসাহ দিব। এইদৰে তেওঁলোকে ইজনে সিজনক ঘৰুৱা ভাষাৰ মাজেৰে বিদ্যালয়ৰ ভাষা শিকাত সহায় কৰিব পাৰিব।

পাছৰ ক্ৰিয়া-কলাপটো আপোনাৰ শ্ৰেণীকোঠাত যুৰীয়া পঠন ব্যৱহাৰ কৰিব পৰাকৈ প্ৰস্তুত কৰা হৈছে।

## ক্ৰি য়া-কলাপ ৩ ঃ যুৰীয়া পঠন সংগঠিত আৰু পৰিচয় কৰোৱা (Activity 3: Introducing and organising paired reading)

এই ক্ৰি য়া-কলাপটো দুজনীয়া বা তিনি চাৰিজনীয়া দলত কৰাব পাৰিব। কোন কেইগৰাকী ছাত্ৰ-ছাত্ৰীক লৈ আপুনি দল গঠন কৰিব সেইটো আগতীয়াকৈ সিদ্ধান্ত কৰি লওক। আপুনি যথেষ্ট পৰিমাণৰ পাঠৰ প্ৰতিলিপি ৰাখক আৰু ছাত্ৰ-ছাত্ৰীয়ে শিকিব পৰা পাঠ নিৰ্বাচন কৰক।

যুৰীয়া পঠনৰ আৰ্হি দেখুৱাই আপুনি আৰম্ভ কৰক যাতে আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা কি আশা কৰিছে সেইটো বুজি পায়। আপুনি যুৰীয়া পঠনৰ বাবে বাছি লোৱা দফাটো তেওঁলোকক দেখুৱাওক। যিটো তেওঁলোকে পঢ়িব লাগিব আৰু এজন ছাত্ৰক আপোনাৰ অংশীদাৰ হ'বৰ বাবে বাছি লওক। আপুনি দফাটো প্ৰথমে একেলগে পঢ়াটো আৰু পাছত দফাটো পালপাতি পঢ়িবলৈ আৰম্ভণিতে বুজাই দিয়ক। প্ৰথম দফাটো তেওঁৰ লগত একেলগে পঢ়িবলৈ আৰম্ভ কৰক। পাছত ছাত্ৰজনক তাৰ পাছৰ অংশটো পঢ়িবলৈ দিয়ক। এইবাৰ আপুনি পাছৰ দফাটো নিজে পুঢ়ি দিয়ক। এনেদৰে পালপাতি কেইবাবাৰো পঢ়ক।

আন এজন ছাত্ৰক মাতি প্ৰথমজনৰ লগত যুৰীয়া পঠন প্ৰদৰ্শন কৰিবলৈ দিব। আপুনি যদি ডাঙৰ দল বিচাৰে সেই দলত তৃতীয় বা চতুৰ্থ জন ছাত্ৰক লগ হ'বলৈ মাতিব।

আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক কওক যদি দলত কেনোবা অংশীদাৰী সদস্যই কিবা অসুবিধা পাইছে তেনেহ'লে তেওঁলোকৰ সমস্যা সমাধানৰ সুযোগ দিবৰ বাবে তেওঁলোকে কেই চেকেণ্ড মান সময় অপেক্ষা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলক একে সমান শিক্ষণ সামৰ্থৰ নে ভিন ভিন শিক্ষণ সামৰ্থৰ তেওঁলোকক এই ভিত্তিত দলত ভাগ কৰিব। তেওঁলোকক বুজাই ক'ব যে সম্পূৰ্ণ উত্তৰটো কৈ দিয়াতকৈ শব্দৰ প্ৰথম ধ্বনিটো কোৱাহে ভাল।

আৰম্ভণিতে যুৰীয়া পঠন দহ মিনিটৰ বাবে দিয়া উচিত। ছাত্ৰ-ছাত্ৰীয়ে এই ক্ৰি য়া-কলাপটোৰ লগত অভ্যস্ত হ'লে ত্ৰিশ মিনিটলৈ বঢ়াব পাৰে। শ্ৰেণীৰ সহপাঠীসকলৰ অসুবিধা নোহোৱাকৈ ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পঢ়িবলৈ উৎসাহ দিব।

শ্ৰেণীকোঠাত চাৰিওফালে ঘূৰি পকি মনোযোগ দি ছাত্ৰ-ছাত্ৰীয়ে ক্ৰি য়া-কলাপটো বুজিছেনে নাই সেই কথা লক্ষ্য কৰিব। পঠনত অসুবিধা পোৱা ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। একেলগে কৰা আৰু ভালকৈ কাম কৰা ছাত্ৰ-ছাত্ৰীৰ নাম লিখি ৰাখিব। যেতিয়া দেখিব যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেকৰে লগত ভালদৰে কাম কৰিব পাৰিছে তেনে ছাত্ৰ-ছাত্ৰীক সময়ে সময়ে দলবোৰ সলনি কৰি দি থাকিব।

ক্ৰি য়া-কলাপটো শেষ হোৱাৰ পাছত আপুনি ছাত্ৰ-ছাত্ৰীসকলে এইটো কৰি প্ৰকৃততে আনন্দ পালেনে আৰু এইটো উপযোগী বুলি ভাবেনে নাই সুধিব। তেওঁলোকক ইজনে সিজনক সহায় কৰাৰ বাবে প্ৰশংসা কৰিব। পাঠৰ বিষয়ে কিতাপৰ বিষয়ে কৰা কথা-বাৰ্তা শীৰ্ষক এটি চমু আলোচনাৰেও আপুনি যুৰীয়া পঠনৰ পুনৰীক্ষণ কৰিব পাৰে।

## ৪) সাৰাংশ (4 Summary)

বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰতো পাঠ পৰিত্ৰ মাত ছাত্ৰ-ছাত্ৰীসকলক উদ্যমী, আত্মবিশ্বাসী আৰু চিন্তামগ্ন পঢ়ুৱৈ (Reflective Reader) হিচাপে সক্ষম কৰি গঢ়ি তোলাত আপোনাৰ ভূমিকাৰ ওপৰত এই গোটে আলোকপাত কৰিছে। এই ক্ৰি য়া-কলাপত ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক হিচাপে জড়িত কৰি ৰাখিবৰ বাবে আপোনাৰ আনন্দদায়ক পঠনৰ আৰ্হিয়েই হৈছে মুখ্য কথা।

শ্ৰেণীকোঠাত পঠন দক্ষতাৰ বিকাশত সহায় হোৱাকৈ সঘনাই ব্যৱহাৰ কৰিবৰ বাবে বহুতো ক্ৰি য়া-কলাপৰ বিষয়ে এই গোটটোৱে আপোনাক পৰামৰ্শ দিছে। এইবোৰৰ ভিতৰত এটা হৈছে কিতাপৰ বিষয়ে কথোপকথন, য'ত ছাত্ৰ-ছাত্ৰীসকলে পঠন কৰা পাঠৰ বিষয়ে নিজৰ প্ৰতিক্ৰি য়া প্ৰকাশ কৰিবলৈ এটা সোণালী সুযোগ পায়। তাৰ লগে লগে যুৰীয়া পঠনো হৈছে ইয়াত দিয়া এনে এটা ক্ৰি য়া-কলাপ য'ত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে একেলগে কি পঢ়িলে তাক আলোচনা কৰিব পাৰে। বহুতো ক্ৰি য়া-কলাপৰ দৰে পঠন হৈছে এটা দক্ষতা যাক অনুশীলনৰ দ্বাৰা উন্নত কৰিব পাৰি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে যদি পঠনৰ আনন্দ অনুভৱ কৰে আৰু পাঠৰ বিষয়ে কথা পাতে তেতিয়াই তেওঁলোকে যথেষ্ট অনুশীলন কৰিবলৈ ভাল পাব।

## সমলসমূহ (Resources)

### সমল ১ ঃ যুৰীয়া কাৰ্যৰ ব্যৱহাৰ (Resource 1: Using pair work)

দৈনন্দিন পৰিস্থিতিত মানুহে এটা কামৰ লগত আন কামো কৰি থাকে। যেনে- কথা কৈ থাকোতে আনৰ কথা শুনিও থাকে আৰু কোনোবাই কি কাম কৰিছে, কেনেকৈ কৰিছে চাইও থাকে। মানুহে এনেকৈয়ে শিকে। আমি আনৰ লগত কথা পাতি থাকোঁতে

বিভিন্নধৰণৰ নতুন ধাৰণা বা খবৰ পাওঁ। শ্ৰেণীকোঠাবোৰতো যদি সকলো কথা শিক্ষকৰ ওপৰতে কেন্দ্ৰীভূত হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে প্ৰ.ন সুধিবলৈ, নিজৰ দক্ষতা প্ৰকাশ কৰিবলৈ বা কিবা চেষ্টা কৰিবলৈ যথেষ্ট সময় নাপায়। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে খুউব চমু উত্তৰ দিব পাৰে আৰু কিছুমানে একো উত্তৰ নিদিবও পাৰে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীকোঠাবোৰৰ পৰিৱেশ আৰু শোচনীয়। ইয়াত খুউব কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে কথা কয়।

## যুৰীয়া কাৰ্য কিয় ব্যৱহাৰ কৰিব লাগে? (Why use pair work?)

কথনৰ সুবিধা আৰু বেছিকৈ শিকিবৰ বাবে যুৰীয়া কাৰ্য হৈছে এটা স্বাভাৱিক উপায়। যুৰীয়া কাৰ্যই ছাত্ৰ-ছাত্ৰীক ভাবিবলৈ সুবিধা দিয়ে, অনুমানৰ লগতে নতুন ভাষা শিকিবলৈ যত্ন কৰাৰ সুযোগ দিয়ে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণী এটাতো যুৰীয়া কাৰ্যই নতুন চিন্তা আৰু দক্ষতাৰে ভালকৈ কাম কৰাৰ এটা সুবিধাজনক উপায় দিয়ে। সকলো বিষয় আৰু বয়সৰ বাবেই যুৰীয়া কাৰ্য উপযোগী। এইটো বিশেষভাৱে বহুভাষী, বহু স্তৰৰ শ্ৰেণীৰ বাবে ব্যৱহাৰোপযোগী হয়। কাৰণ ইয়াত এটা দুজনীয়া দলে আনটো দলক সহায় কৰিব পৰাকৈ সজাই ল'ব পাৰি। বিশেষ একোটা কামৰ বাবে আপুনি যেতিয়া পৰিকল্পনা কৰে, তেতিয়া এই যুৰীয়া কাৰ্য বেছি ফলদায়ক হয়। আকৌ আপুনি যেতিয়া সকলো ছাত্ৰ-ছাত্ৰীয়েই শিকনৰ যোগেদি আগবাঢ়ি যোৱাতো নিশ্চিত কৰিবৰ বাবে ৰুটিন প্ৰস্তুত কৰি যুৰীয়া কাৰ্য পৰিচালনা কৰে, তেতিয়াও ই বেছি ফলপ্ৰসূ হয়। এনেদৰে যুৰীয়া কাৰ্য এবাৰ যদি আপুনি তেওঁলোকৰ মনত বহুৱাই ল'ব পাৰে নাইবা শ্ৰেণীকোঠাত গ্ৰহণযোগ্য কৰি তুলিব পাৰে তেন্তে ছাত্ৰ-ছাত্ৰীও যুৰীয়া কাৰ্যত অভ্যস্ত হ'ব আৰু এনেদৰে শিকন কাৰ্যও আনন্দেৰে উপভোগ কৰিব।

## যুৰীয়া কাৰ্যৰ বাবে কাম (Tasks for pair work)

শিকনৰ প্ৰতি লক্ষ্য ৰাখি এটা আকাংক্ষিত ফলাফলৰ বাবে আপুনি বিভিন্নধৰণৰ যুৰীয়া কাম কৰাব পাৰে। যুৰীয়া কাৰ্য সদায় সঠিক আৰু স্পষ্ট হ'ব লাগে যাতে অকলে কৰা কামতকৈ যুৰীয়াভাৱে কৰা কামত ছাত্ৰ-ছাত্ৰীয়ে বেছি শিকিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে অনুমান কৰা বা ধাৰণা কৰা কথাবোৰৰ বিষয়ে কথা পাতিবলৈ পালে তেওঁলোকে নিজে নিজেই শিকি যাব আৰু পৰ্যায়ত্ৰ মে নিজকে বিকাশৰ পথত আগবঢ়াই নিব পাৰিব।

যুৰীয়া কাৰ্যৰ বাবে কাম

- **অকলে ভবা-যুৰীয়াভাৱে ভবা- ভাব বিনিময় কৰা (Think–pair–share)** ঃ ছাত্ৰ-ছাত্ৰীক নিজকে কোনো এটা বিষয় বা সমস্যাৰ বিষয়ে ভাবিবলৈ দিয়ক আৰু সম্ভাব্য উত্তৰৰ বাবে যুৰীয়াভাৱে কাম কৰিবলৈ দিয়ক। তাৰপাছত অন্যান্য ছাত্ৰ-ছাত্ৰীৰ লগত নিজৰ উত্তৰৰ বিনিময় কৰিবলৈ দিয়ক। বানান, সংখ্যা গণনা বা যোগ-বিয়োগ কৰা, ক্ৰম অনুযায়ী বস্তু ৰখা, বিভিন্নধৰণৰ মতামত প্ৰকাশ কৰা, কোনো কাহিনীৰ চৰিত্ৰৰ ভাও লোৱা ইত্যাদি।
- **তথ্য বা খা-খবৰৰ বিনিময় (Sharing information)** ঃ শ্ৰেণীটোৰ আধা ছাত্ৰ-ছাত্ৰীক এটা বিষয়ৰ এটা দিশৰ ওপৰত বা-বাতৰি দিয়ক। বাকী আধা ছাত্ৰ-ছাত্ৰীক বিষয়টোৰ লগত জড়িত বেলেগ দিশৰ বিষয়ে আলোচনা কৰিবলৈ দিয়ক। তাৰপাছত তেওঁলোকক তথ্য বা খা-খবৰৰ বিনিময়ৰ বাবে বা কোনো সমস্যা সমাধান কৰি এটা সিদ্ধান্তলৈ আহিবৰ বাবে যুৰীয়াভাৱে কামত লাগিবলৈ দিয়ক।
- **শ্ৰৱণ দক্ষতাৰ অনুশীলন (Practising skills such as listening)** ঃ এজন ছাত্ৰই এটা সাধু পঢ়িব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে প্ৰ.ন সুধিব। এজন ছাত্ৰই ইংৰাজীত এটা দফা পঢ়িব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে ইয়াক লিখিবলৈ যত্ন কৰিব। এজন ছাত্ৰই এখন ছবি আঁকিব বা এটা স্তম্ভ লেখাৰ বিষয়ে বৰ্ণনা কৰিব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে এই বৰ্ণনাৰ ভিত্তিত পুনৰ ছবি আঁকিবলৈ চেষ্টা কৰিব।
- **নিৰ্দেশনাবোৰৰ অনুসৰণ (Following instructions)** ঃ এজন ছাত্ৰই নিৰ্দেশনাবোৰ পঢ়িব আৰু আন ছাত্ৰ ছাত্ৰীসকলে নিৰ্দিষ্ট কাৰ্য সম্পূৰ্ণ কৰিব।
- **সাধু কোৱা আৰু অভিনয় কৰা (Storytelling or role play)** ঃ এটা সাধু সৃষ্টি কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে যুৰীয়াভাৱে কাম কৰিব পাৰে নাইবা তেওঁলোকে শিকি থকা ভাষা এটাৰে সংলাপ সৃষ্টি কৰিব পাৰে।

## সকলোকে সামৰিবলৈ যুৰীয়া কাৰ্যৰ পৰিচালনা (Managing pairs to include all)

যুৰীয়া কাৰ্যত সকলোকে জড়িত কৰা হয়। বিভিন্নধৰণৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যুৰীয়া কাৰ্য পৰিচালনা কৰোঁতে কেইটামান কথা ভালকৈ মন কৰিব লাগিব যাতে তেওঁলোকে বুজি পায় — তেওঁলোক প্ৰত্যেকেই কি কৰিব লাগিব, তেওঁলোকে কি শিকি আছে আৰু আপুনি তেওঁলোকৰ পৰা কি আশা কৰিছে। আপোনাৰ শ্ৰেণীকোঠাত যুৰীয়া কাৰ্যৰ ৰুটিন স্থায়ী কৰি ল'বৰ বাবে আপুনি তলত দিয়া কাৰ্যবোৰ কৰা উচিত —

- ছাত্ৰ-ছাত্ৰীসকলৰ যুৰীয়া কাৰ্য পৰিচালনা কৰক। কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়ে বন্ধুৰ মাজত যুৰীয়া কাৰ্য কৰিব আৰু কেতিয়াবা নকৰিব। ছাত্ৰ-ছাত্ৰীৰ শিকনৰ পৰিমাণ পৰ্যাপ্ত কৰি তুলিবৰ বাবে আপুনি তেওঁলোকে কাৰ লগত যুৰীয়া কাৰ্য কৰিব সেই কথা বুজি পোৱাতো নিশ্চিত কৰক।
- প্ৰত্যাহ্বান হিচাপে লৈ কেতিয়াবা আপুনি বিভিন্ন ভাষা আৰু বেলেগ বেলেগ দক্ষতা থকা ছাত্ৰ-ছাত্ৰীক দুজনীয়া দলত বহুৱাব যাতে তেওঁলোকে ইজনে সিজনক সহায় কৰিব পাৰে। আন সময়ত একে স্তৰৰ ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্য কৰিবলৈ দিব।
- আপুনি যাতে ছাত্ৰ-ছাত্ৰীৰ দক্ষতা জানিব পাৰে আৰু তাৰ ওপৰত ভিত্তি কৰি ত্ৰ মাত্ৰয়ে যুৰীয়া কাৰ্য দিব পাৰে, তাৰ ৰেকৰ্ড ৰাখি যাব।
- আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্যৰ পৰা হ'ব পৰা লাভালাভৰ বিষয়ে জনাওঁক। পৰিয়াল বা সমাজৰ পৰা সহযোগী মনোভাৱেৰে কাম কৰাৰ উদাহৰণ দিয়ক।
- আৰম্ভণিৰ কাৰ্য চমু আৰু স্পষ্ট কৰক।
- আপুনি বিচৰাৰ দৰে ছাত্ৰ-ছাত্ৰীয়ে কাম কৰিছেনে নাই তাক নিশ্চিত কৰিবৰ বাবে তেওঁলোকৰ কাম নিৰীক্ষণ কৰক।
- দুজনীয়া ছাত্ৰ-ছাত্ৰীৰ দলৰ মাজত নিয়ম কৰি দিয়ক নতুবা যুৰীয়া দলৰ প্ৰত্যেক গৰাকীকে দায়িত্ব ভগাই দিয়ক। যেনে- এটা কাহিনী বা গল্পৰ দুটা চৰিত্ৰ নাইবা সাধাৰণভাৱে ১ আৰু ২ বা A, B কৈ সজাই দিয়ক। ইজনে সিজনৰ লগ হোৱাৰ আগতেই এই কামটো কৰিব পাৰিলে ভাল হয়। কিয়নো, তেতিয়াহে তেওঁলোকে কথাবোৰ শুনিব।
- ছাত্ৰ-ছাত্ৰীসকল সহজভাৱে ইজনৰ লগত সিজন বহিব পাৰিছেনে নাই মন কৰক।

যুৰীয়া কাৰ্য সমাধানৰ বাবে তেওঁলোকক কিমান সময় দিয়া হৈছে সেইটো ক'বলৈ নাপাহৰিব আৰু কামৰ মাজত সময়ৰ সকিয়নিও দি যাব। যিটো যোৰে ইজনে সিজনক সহায় কৰিছে আৰু কামটোত মনপুতি লাগি আছে তেওঁলোকক প্ৰশংসা কৰিব। নিজাকৈ সমাধান উলিয়াই কামটো পৰিপাটিকৈ শেষ কৰিবলৈ তেওঁলোকক সময় দিব। তেওঁলোকে কি কৰিব পাৰে বা কৰিছে সেয়া ভাবি উলিওৱাৰ আগতেই এনেদৰে সময় দিলে তেওঁলোক বেছি খৰকৈ কামটোত জড়িত হ'ব পাৰে। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে কথা পতা আৰু কাম কৰাৰ পৰিৱেশ উপভোগ কৰি ভাল পায়। ছাত্ৰ-ছাত্ৰীৰ কথা শুনিবৰ বাবে আৰু পৰ্যবেক্ষণৰ বাবে আপুনি যেতিয়া শ্ৰেণীৰ চাৰিওফালে ঘূৰা-পকা কৰি থাকিব, তেতিয়া কোন ছাত্ৰ-ছাত্ৰী ইজন সিজনৰ লগত যথেষ্ট সহজ সেই কথাটো লিখি থ'ব। যিসকল দলত সহজ হ'ব পৰা নাই তেওঁলোকৰ প্ৰতি সচেতন হ'ব। সকলোৱে কৰা ভুল, ভাল ধাৰণা বা ভাল কিবা কথা যদি তেওঁলোকৰ পৰা ওলাই আহে, সেইবোৰো লিখি ৰাখিব।

কামৰ শেষত ছাত্ৰ-ছাত্ৰীয়ে কি কৰিলে সেইবোৰৰ মাজত সংগতি বিচাৰ কৰি দিয়াত আপোনাৰ ভূমিকা থাকিব। আপুনি কিছুমান যুৰীয়া কাৰ্য নিৰ্বাচন কৰি তেওঁলোকে কৰা কাম দেখুৱাব পাৰে নাইবা তেওঁলোকৰ হৈ আপুনিও তাৰ সাৰাংশ দাঙি ধৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে একেলগে কাম কৰিলে কৃতকাৰ্যতাৰ ভাব এটা অনুভৱ কৰি ভাল পায়। প্ৰতিটো যুৰীয়া কাৰ্যৰে পুনৰ কামৰ খতিয়ান ল'বলৈ গ'লে আপোনাৰ বহুত সময় নষ্ট হ'ব। সেইবাবে এনে নকৰিলেও হয়। কিন্তু আপোনাৰ পৰ্যবেক্ষণত পোৱা ভাল ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰি কামৰ পুনৰালোচনা কৰক। ই অন্যান্য ছাত্ৰ-ছাত্ৰীসকলকো শিকনত সহায় কৰিব। আত্মপ্ৰত্যয় নথকা ছাত্ৰ-ছাত্ৰীকো এনেধৰণৰ কামে আত্মপ্ৰত্যয় বঢ়োৱাত সুযোগ দিয়ে।

আপুনি যদি ছাত্ৰ-ছাত্ৰীক কোনো এটা সমস্যা সমাধান কৰিবলৈ দিয়ে তেন্তে তাৰ এটা সঠিক উত্তৰ আপুনি দিব। উত্তৰ কেনেকৈ ভালদৰে দিব পাৰি তাৰ বিষয়ে আলোচনা কৰিবলৈ দিব। এনে কৰিলে ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকনৰ বিষয়ে ভবাত সহায় হয় আৰু নিজে কৰা ভুলৰ পৰাই শিকাৰ থল থাকে।

আপুনি যদি যুৰীয়া কাৰ্য কৰোৱাত নতুন, লগতে আপুনি সময় আৰু যুৰীয়া কাৰ্যৰ ক্ষেত্ৰত যদি কিবা পৰিৱৰ্তন আনিব বিচাৰে, লিখি থোৱা ভাল। আপোনাৰ শিক্ষণ পদ্ধতি উন্নত কৰাত আৰু আপুনি কেনেকৈ শিকিব সেইবিষয়ে স্পষ্ট হোৱাত এই কাৰ্যই আপোনাক সহায় কৰিব। কৃতকাৰ্যতাৰে যুৰীয়া কাৰ্য সংগঠিত কৰাৰ লগত স্পষ্ট নিৰ্দেশনা আৰু সঠিক সময় পৰিচালনাৰ বিষয়টোৰ সম্বন্ধ থাকে। তাৰ লগে লগে সাৰাংশ প্ৰস্তুত কৰাটোও অন্তৰ্নিহিত হৈ থাকে — এই সকলোবোৰেই অনুশীলনৰ ওপৰত নিৰ্ভৰ কৰে।

# Additional resources

- 'Book-talk' by Pie Corbett: http://webfronter.com/lewisham/primarycommunity/menu1/Writing/Talk_for_Writing/Booktalk_by_Pie_Corbett
- Booktrust is an independent UK reading and writing charity. It provides resources and tools to support professionals in helping both children and adults to develop in their reading and writing journey: http://www.booktrust.org.uk/
- NCERT books for children: http://www.ncert.nic.in/publication/children_books/children_books.html
- Pratham Books: http://www.prathambooks.org/
- 'Children's literature from India and the Indian diaspora', a post on Pratham Books' blog: http://blog.prathambooks.org/2010/10/childrens-literature-from-india-and.html
- Dasgupta, A. (1995) *Telling Tales: Children's Literature in India*. London: Taylor and Francis.
- A useful article about children's literature in India: http://isahitya.com/index.php/77-special-articles/269
- 'How to teach … reading for pleasure', from a UK website that contains some useful ideas and further links: http://www.theguardian.com/teacher-network/teacher-blog/2013/dec/16/reading-for-pleasure-reluctant-readers-schools-resources
- N'Namdi, K.A. (2005) *Guide to Teaching Reading at the Primary School Level*. Paris: UNESCO.
- *New Approaches to Literacy Learning* by V. Elaine Carter: http://unesdoc.unesco.org/images/0012/001257/125767eb.pdf

# References/bibliography

Clark, C. and De Zoysa, S. (2011) *Mapping the Interrelationships of Reading Enjoyment, Attitudes, Behaviour and Attainment: An Exploratory Investigation*. London: National Literacy Trust.

Clark, C. and Poulton, L. (2011) *Is Four the Magic Number? Number of Books Read in a Month and Young People's Wider Reading Behaviour*. London: National Literacy Trust.

Clark, C. and Rumbold, K. (2006) *Reading for Pleasure: A Research Overview*. London: The National Literacy Trust.

Education World (undated) 'Book review form' (online). Available from: http://www.educationworld.com/a_lesson/template/book-review.shtml (accessed 23 October 2014).

*Times of India* (2014) 'Giant wheel a monumental treat' (online), 3 October. Available from: http://timesofindia.indiatimes.com/city/delhi/Giant-wheel-a-monumental-treat/articleshow/44155864.cms (accessed 23 October 2014).

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.